# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-02-2025 **Time :** 1715 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ আৰু প্ৰসাৰেৰে বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ বাবে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ উপ প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্ভাৱনমুখী অৰ্থনীতি, ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তিৰ সহযোগিতাৰ জৰিয়তে ভাৰত- এছিয়ান কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উপ প্ৰধানমন্ত্ৰীগৰাকীৰ দায়বদ্ধতাৰ শলাগ লয়। মুখ্যমন্ত্ৰী শৰ্মাই আজি ছিংগাপুৰত এটা ৰোড শ্বত অংশ লয়। ২০০তকৈও অধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই ৰোড শ্বত বিনিয়োগকাৰীসকলে ভাৰতৰ অৰ্থনৈতিক সম্ভাৱনাৰ ক্ষেত্ৰত অসমৰ ভূমিকাক লৈ আগ্ৰহ প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে প্ৰস্তাৱিত ১৪৩ বিলিয়ন ডলাৰৰ ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন, ১২ দশমিক ২ বিলিয়ন ডলাৰৰ আন্তগাঁথনি পুনৰ নিৰ্মাণ, দৈনিক ১৫ কিলোমিটাৰ পথ নিৰ্মাণ, ৬হাজাৰ মেগাৱাট সেউজ শক্তিৰ লক্ষ্য আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত অসমে বিনিয়োগকাৰী সকলক লাভান্বিত হোৱাত সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে প্ৰতিগৰাকী সম্ভাব্য বিনিয়োগকাৰীক এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লৈ ৰাজ্যখনত বিভিন্ন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

ইয়াৰপূৰ্বে, পুৱাৰ ভাগত ড০ শৰ্মাই ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদাৰ সকলৰ সৈতে ফলপ্ৰসু আলোচনাত মিলিত হয়। তেওঁ এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে টাটা ইলেক্ট্ৰনিকছ, কীচাইট প্ৰযুক্তি, ইক'ছফট, ছিংগাপুৰ বিজনেছ ফেডাৰেচন, ইণ্ডিয়ান অ'চেন গ্ৰুপকে ধৰি অন্যান্য উদ্যোগৰ প্ৰতিনিধিসকলক ধন্যবাদ জনায়।

0000000

ৰাজ্যত কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১লাখ ৪৪ হাজাৰ ৫০২গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নাৰায়ণ নাথে আজি প্ৰকাশ কৰা অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২লাখ ৩০ হাজাৰ ৯১গৰাকী, বিজ্ঞান শাখাত ৫৭হাজাৰ ৭২৪গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব বুলি উল্লেখ কৰি

সচিবগৰাকীয়ে কয়, যে পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব।

ইপিনে, অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪ টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব বুলি সচিবগৰাকীয়ে জানিবলৈ দিছে। তেওঁ কয়, যে এইবাৰ ৩১ টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২ টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

উল্লেখযোগ্য যে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিছে।

০০০০০০

কাইলৈ বিশ্ব অনাতাঁৰ দিৱস। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ সন্ধিয়া ৬ বজাত গুৱাহাটীৰ চানমাৰিত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আকাশী লহৰ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিশ্ব অনাতাঁৰ দিৱসৰ এই বছৰৰ প্ৰতিপাদ্য বিষয় "ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন" বিষয়ত বক্তৃতা প্ৰদান কৰিব ড০ অৱনী কুমাৰ ভাগৱতীয়ে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰত সেৱাৰত অনুষ্ঠান পৰিৱেশকসকলে গীত, আবৃত্তি, অভিনয়ৰ বিচিত্ৰানুষ্ঠান পৰিৱেশন কৰিব।

নগাঁওৰ মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই ১৩ ফেব্ৰুৱাৰীৰ বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে আজি নগাঁৱত এটা চাইকেল ৰেলীৰ আয়োজন কৰে। শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে আজি ৰহাত চাইকেলেৰে বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰচাৰ চলায়। বিশ্ব ৰেডিঅ' দিৱসৰ বেনাৰ, পোষ্টাৰ আৰু প্ৰচাৰ পত্ৰ জিলাখনৰ ৰূপহী, নগাঁও, জাজৰি আদি অঞ্চলত যান-বাহন, দোকান-পোহাৰ আদিত লগাই প্ৰচাৰ কাৰ্য চলোৱা হৈছে। উল্লেখ্য যে এইবাৰ প্ৰয়াত শিল্পী দিগেন মহন্ত, বাউলী কবি কমলা নন্দ ভট্টাচাৰ্য আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত অনাতাঁৰ চেট বিতৰণ কৰা হ'ব । কাইলৈ মধ্য

অসম অনাতাঁৰ শ্ৰোতা সংঘৰ উদ্যোগত আৰু ৰূপহী মহাবিদ্যালয়ৰ সহযোগিতাত মহাবিদ্যালয় খনৰ প্ৰেক্ষাগৃহত বিশ্ব অনাতাঁৰ দিৱসৰ দিনযোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। দিনটোৰ বিশেষ কাৰ্যক্ৰমণিকাৰ ভিতৰত চাইকেল ৰেলী, বৃক্ষ ৰোপণ, ঠিতাতে লিখা ৰচনা প্ৰতিযোগিতা, মুকলি সভা, অন্তৰংগ অনুষ্ঠান আৰু গীত-মাতৰ লগতে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই প্ৰৱৰ্তন কৰা ২০২৫ বৰ্ষৰ "লোকশিল্পী বঁটা বিশিষ্ট লোকশিল্পী শ্ৰীযুত মিলেশ্বৰ ডেকাক আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হব।

অনুষ্ঠানৰ লগত সংগতি ৰাখি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ১৫ টা ৰেডিঅ' বিতৰণ কৰা হ'ব। এটা বছৰ সম্পূৰ্ণ কৰা উপলক্ষে শ্ৰোতা সংঘটোৱ কাইলৈ ইয়াৰ দ্বিতীয় বৰ্ষ পূৰ্তি পালন কৰিব। এই উপলক্ষে কলিয়াবৰত চাইকেল ৰেলী আৰু প্ৰচাৰ পত্ৰ বিতৰণ কৰিব প্ৰগতিশীল কৃষক খগেন বৰাই। ০০০০০০

মঙলদৈৰ বিশিষ্ট গ্ৰন্থ বিক্ৰেতা তথা সামাজিক মাধ্যমৰ জনপ্ৰিয় কবি দুৰ্লভ শৰ্মাৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মঙলদৈৰ বিষ্ণুৰাভা পথত অনুষ্ঠিত শৰ্মা ব্ৰাডাৰ্ছ নামৰ গ্ৰন্থ বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শৰ্মা ব্যৱসায় সংক্ৰান্তত বৰপেটা ৰোডলৈ গৈছিল আৰু কালি তেওঁ হঠাতে অসুস্থ হৈ পৰে। তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হয় যদিও তাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মঙলদৈ শান্তিপুৰ নিবাসী দুৰ্লভ শৰ্মাৰ মৃত্যুৰ সময়ত বয়স আছিল ৬০ বছৰ।

০০০০০০০

সমাপ্ত